# REGIONAL NEWS UNIT
## ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-03-2024
**Time :** 1800 Hrs

## *Assamese Evening Bulletin*
**- - - - - - -**

সমাগত লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টি কৰা আৰু আদৰ্শ আচৰণ বিধি কঠোৰভাৱে বলৱৎ কৰাৰ বাবে জিলা প্ৰশাসনসমূহ তৎপৰ হৈ পৰিছে। শিৱসাগৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত ভোটদাতাৰ সজাগতাৰ অংশস্বৰূপে জিলাখনৰ নিজৰ নিৰ্বাচনী শুভংকৰ **বি এল অ বাইদেউ** উন্মোচন কৰে। জিলা আয়ুক্ত আদিত্য বিক্ৰম যাদৱৰ উপস্থিতিত শিৱসাগৰ নগৰৰ পশ্চিম যমুনা ৰোড অঞ্চলৰ বি এল অ ৰীতা মেচে জিলাখনৰ নিৰ্বাচনী শুভংকৰটো উন্মোচন কৰে।

নগাঁও জিলাৰ ভোটদাতাৰ মাজত সজাগতা সৃষ্টি কৰিবলৈ নগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ পৰা আজি এটা চাইকেল সমদল উলিওৱা হয়। এই সমদলত ভালেসংখ্যক নতুন ভোটদাতাই অংশগ্ৰহণ কৰে। জিলা নিৰ্বাচনী বিষয়াৰ কাৰ্যালয়ৰ দ্বাৰা আয়োজিত অনুষ্ঠানটোৰ আঁত ধৰে উত্তৰ-পূবৰ প্ৰথমগৰাকী পেৰা চাইকেলিষ্ট ৰাকেশ বনিকে। চাইকেল সমদলটোত নগাঁৱৰ নিৰ্বাচনী বিষয়া, অতিৰিক্ত আয়ুক্ত, খণ্ড উন্নয়ন বিষয়াৰ লগতে নতুন ভোটদাতাসকলেও অংশগ্ৰহণ কৰে।

কাৰ্বি আংলং জিলা আৰু পশ্চিম কাৰ্বি আলং জিলা প্ৰশাসনে নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি নিৰ্বাচনী আচৰণ বিধি উলংঘা তথা নিৰ্বাচনী বিধি সন্দৰ্ভত কিবা জানিবলগীয়া থাকিলে পৃথকে পৃথকে দুটা টোল ফ্ৰী নম্বৰ ঘোষণা কৰিছে। ডিফু জিলা আয়ুক্তৰ কাৰ্যালয়ে ৬০০৩০-১৯৬৬২ টোল ফ্ৰী নম্বৰৰ সুবিধা দিছে। আনহাতে হামৰেণ জিলা আয়ুক্তৰ কাৰ্যালয়ে ৮১৩৫০-০৫৪৬৭ টোল ফ্ৰী নম্বৰ ঘোষণা কৰিছে। নিৰ্বাচনৰ লগত জড়িত যিকোনো তথ্য জানিবৰ বাবে তথা অভিযোগ দাখিল কৰিবলৈ দুয়োখন জিলাৰ ভোটদাতাসকলে এই দুটা নম্বৰত যোগাযোগ কৰিব পাৰিব।

তিনিচুকীয়া নিৰ্বাচনী জিলাৰ নিৰ্বাচনী আচৰণ বিধি বলৱৎ হৈ থকাৰ সময়ছোৱাত ধনৰ অবৈধ লেনদেন, ভোটদাতাক ধন দি প্ৰলোভিত কৰা, সুৰাৰ অবাধ প্ৰচলন আদি ৰোধ কৰাৰ উদ্দেশ্যে অভিযান চলোৱা হৈছে। তিনিচুকীয়া, মাকুম, ডিগবৈ আৰু ডুমডুমা বিধানসভা সমষ্টিত আদৰ্শ আচৰণ বিধি বলৱৎ কোষে সক্ৰিয় ভূমিকা গ্ৰহণ কৰিছে। নিৰ্বাচনী জিলাখনৰ বিভিন্ন স্থানত নিয়োজিত ষ্টেটিক ছাৰ্ভিলেন্স, ফ্লায়িং স্কোৱাড আৰু বিডিঅ' স্কোৱাডৰ দলে তালাচী অভিযান চলাইছে।

০০০০০

নিৰ্বাচন আয়োগে গুজৰাট, পঞ্জাৱ, ওড়িশা আৰু পশ্চিমবংগত জিলা দণ্ডাধীশ আৰু আৰক্ষী অধীক্ষক হিচাপে কাৰ্যনিৰ্বাহ কৰি থকা নন কেডাৰ বিষয়াসকলক বদলিকৰণৰ নিৰ্দেশ দিছে। নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰ আৰু সুখবীৰ সিং সান্ধু তথা মুখ্য নিৰ্বাচনী বিষয়া ৰাজীৱ কুমাৰৰ অধ্যক্ষতাত আয়োজিত বৈঠকত এই সিদ্ধান্ত লোৱা হয়। তদুপৰি আয়োগে পঞ্জাৱৰ ৰথিন্দাৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষক আৰু অসমৰ শোণিতপুৰ

জিলাৰ আৰক্ষী অধীক্ষককো বদলিকৰণৰ নিৰ্দেশ দিয়ে। বিষয়া দুগৰাকীৰ পৰিয়ালৰ লোক ৰাজনীতিৰ সৈতে জড়িত হৈ থকাৰ পৰিপ্ৰেক্ষিতত আয়োগে এই সিদ্ধান্ত গ্ৰহণ কৰে।

০০০০০

সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ভোটদাতাসকলৰ মাজত সজাগতা সৃষ্টিৰ লগতে প্ৰথমবাৰৰ বাবে ভোটদান কৰিবলগীয়া যুৱ ভোটদাতাসকলক উৎসাহিত কৰাৰ বাবে আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ আঞ্চলিক বাতৰি বিভাগে শ্ল'গান আৰু জিংগ্‌ল প্ৰতিযোগিতাৰ আয়োজন কৰিছে। ভোটদাতাৰ সজাগতা শীৰ্ষক বিষয়ৰ এই প্ৰতিযোগিতাত প্ৰথমবাৰৰ বাবে ভোটৰ অধিকাৰ লাভ কৰা যুৱ ভোটদাতাসকলেহে অংশ ল'ব পাৰিব। শ্ল'গান বা জিংগ্‌লসমূহ ৪০ ছেকেণ্ডৰ ভিতৰত হোৱাকৈ অসমীয়া ভাষাত বাণীবদ্ধ কৰি ৩১ মাৰ্চৰ ভিতৰত 96196-86659 নাইবা 97166-80969 নম্বৰলৈ হোৱাট্‌ছএপযোগে প্ৰেৰণ কৰিব লাগিব। তদুপৰি প্ৰতিযোগীয়ে নিজৰ নাম, ঠিকনা, শিক্ষাগত অৰ্হতা আৰু শিক্ষানুষ্ঠানৰ নাম সন্নিবিষ্ট কৰি পঠিয়াব লাগিব।

০০০০০

লোকসভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান আৰম্ভ কৰাৰ লগতে সাংগঠনিক তৎপৰতা বৃদ্ধি কৰিছে। আজি গুৱাহাটী সমষ্টিৰ বিজেপি প্ৰাৰ্থী বিজুলী কলিতা মেধি আৰু মিত্ৰজোঁটৰ নেতা তথা মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰীৰ উপস্থিতিত গোৱালপাৰা জিলাৰ দুধনৈত বিজেপিৰ নিৰ্বাচনী কাৰ্যালয় মুকলি কৰা হয়। এই কাৰ্যসূচীত দলৰ ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। ইপিনে, ধুবুৰী সমষ্টিত বিভিন্ন ৰাজনৈতিক দলৰ নিৰ্বাচনী তৎপৰতা বৃদ্ধি পাইছে। ২৬ লাখ ৪৩ হাজাৰৰ অধিক ভোটদাতা থকা সমষ্টিটোত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী জাবেদ ইছলামে প্ৰচাৰ অভিযান অব্যাহত ৰাখিছে। প্ৰাৰ্থীগৰাকীয়ে আজি গোৱালপাৰা জিলাৰ কৃষ্ণাই আৰু কাণকাটাত দলীয় কৰ্মীৰ লগতে ৰাইজৰ সৈতে মত বিনিময় কৰে। ইপিনে, দৰং, ওদালগুৰি লোকসভা সমষ্টিত কংগ্ৰেছ দলৰ প্ৰাৰ্থী মাধৱ ৰাজবংশীয়ে আজি খাৰুপেটীয়াত এখন দলীয় সভাত অংশ লয়। যোৰহাট জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ বিজেপিৰ কাৰ্যকৰ্তাসকলৰ এখন সাংগঠনিক সভা আজি অনুষ্ঠিত হয়। এই সভাত মন্ত্ৰী অজন্তা নেওগ প্ৰমুখ্যে ভালেসংখ্যক নেতা-কৰ্মী উপস্থিত থাকে। বৰপেটাৰ লোকসভা সমষ্টিৰ বাবে অসম গণ পৰিষদৰ জিলা নিৰ্বাচনী কাৰ্যালয়টো আজি মুকলি কৰা হয়। দলৰ জিলা সভাপতি তথা প্ৰাক্তন বিধায়ক গুণীন্দ্ৰ নাথ দাসে কাৰ্যালয়টো মুকলি কৰে। যোৰহাট লোকসভা সমষ্টিৰ বিজেপি প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে আজি চৰাইদেউ জিলাত নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে।

০০০০০

ভাৰতীয় দূৰসংযোগ নিয়ামক প্ৰাধিকৰণৰ উপভোক্তা সম্পৰ্কীয় এটা অনুষ্ঠান মাজুলী জিলাৰ মাজুলী মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। এই অনুষ্ঠানটোত মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা, ছাত্ৰ-ছাত্ৰীসকলৰ লগতে ৰাজ্যৰ বিভিন্ন ঠাইৰ পৰা অহা টেলিকম কোম্পানীসমূহৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। অনুষ্ঠানটিত প্ৰাধিকৰণৰ বিষয়াসকলে টেলিকম সম্পৰ্কীয় বিভিন্ন দিশ ডিজিটেল মাধ্যমেৰে ছাত্ৰ-ছাত্ৰীসকলৰ সন্মুখত দাঙি ধৰে।

০০০০০

সমাপ্ত